দেশ

লাচিত দিৱসত মহাবীৰ লাচিত বৰফুকনক শ্ৰদ্ধাৰে স্মৰণ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ

লাচিত দিৱস উপলক্ষে আহোম সেনাপতি মহাবীৰ লাচিত বৰফুকনৰ সাহস, বীৰত্ব আৰু ঐতিহাসিক নেতৃত্বক শ্ৰদ্ধাৰে স্মৰণ কৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে।

প্ৰকাশ: ২৪ নৱেম্বৰ ২০২৬, দুপৰীয়া ২:২০



লাচিত দিৱস উপলক্ষে মহাবীৰ লাচিত বৰফুকনক শ্ৰদ্ধাৰে স্মৰণ কৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে। আহোম সেনাপতিগৰাকীৰ জন্মবাৰ্ষিকী উপলক্ষে সামাজিক মাধ্যমযোগে প্ৰধানমন্ত্ৰীগৰাকীয়ে বীৰ সেনানীগৰাকীৰ

অতুলনীয় সাহস, বীৰত্ব আৰু বলিষ্ঠ নেতৃত্বৰ ভূয়সী প্ৰশংসা কৰে। প্ৰধানমন্ত্ৰী মোদীয়ে উল্লেখ কৰে যে মাতৃভূমিৰ প্ৰতি লাচিত বৰফুকনৰ অদম্য সাহস আৰু নিষ্ঠাই প্ৰজন্মৰ পিছত প্ৰজন্মক অনুপ্ৰাণিত কৰি আহিছে। বিশেষকৈ ১৬৭১ চনৰ ঐতিহাসিক শৰাইঘাটৰ যুদ্ধত তেওঁৰ নেতৃত্ব আৰু বীৰত্বই অসমক মোগলৰ আক্ৰমণৰ পৰা ৰক্ষা কৰাত নিৰ্ণায়ক ভূমিকা লৈছিল বুলিও তেওঁ জনায়।

নিজ বাৰ্তাত প্ৰধানমন্ত্ৰীয়ে কয় যে লাচিত বৰফুকনৰ সাহস আৰু দৃঢ়তাই অসমক সুৰক্ষা প্ৰদান কৰাত সহায় কৰিছিল। সেনাপতিগৰাকীৰ অসাধাৰণ নেতৃত্ব আৰু জনসাধাৰণৰ প্ৰতি থকা নিষ্ঠা সকলোৰে বাবে চিৰ অনুপ্ৰেৰণা হৈ ৰ'ব বুলি তেওঁ মন্তব্য কৰে।

মোগল বাহিনীৰ হাতৰ পৰা গুৱাহাটী উদ্ধাৰ কৰাৰ প্ৰসংগ স্মৰণ কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে সম্ৰাট ঔৰংজেৱে গুৱাহাটী দখলৰ বাবে সামৰিক শক্তিৰ সৰ্বোচ্চ প্ৰয়োগ কৰিছিল যদিও লাচিত বৰফুকনৰ নেতৃত্বত আহোম সেনাই গুৱাহাটী পুনৰুদ্ধাৰ কৰিবলৈ সক্ষম হয়। পৰৱৰ্তী সময়ত ঔৰংজেৱে পৰাজয়ৰ প্ৰতিশোধ ল'বলৈ বাৰে বাৰে চেষ্টা চলাইছিল যদিও সফল হ'ব পৰা নাছিল বুলিও তেওঁ উল্লেখ কৰে।

শৰাইঘাটৰ যুদ্ধৰ কথা উল্লেখ কৰি প্ৰধানমন্ত্ৰীগৰাকীয়ে কয় যে সেনাপতিগৰাকীয়ে দেশ আৰু মাতৃভূমিক দিয়া সৰ্বোচ্চ অগ্ৰাধিকাৰে সৈন্যবাহিনীৰ সাধাৰণ সৈনিকসকলৰো মনোবল বৃদ্ধি কৰিছিল, যিটোৱেই আছিল বিজয়ৰ মূল ভেটি।

উল্লেখ্য যে, ১৬২২ চনৰ ২৪ নৱেম্বৰত লাচিত বৰফুকনৰ জন্ম হৈছিল। আহোম ৰাজ্যৰ সেনাপতি হিচাপে তেওঁ ১৬৭১ চনৰ শৰাইঘাটৰ ৰণত শক্তিশালী মোগল বাহিনীক পৰাস্ত কৰি অসমত মোগলৰ সাম্ৰাজ্যবাদী সম্প্ৰসাৰণ ৰোধ কৰিছিল। ১৬৭২ চনৰ ২৫ এপ্ৰিলত বীৰ সেনাপতিগৰাকীৰ মৃত্যু হয়। তেওঁৰ এই ঐতিহাসিক বীৰত্ব আৰু অৱদানৰ প্ৰতি শ্ৰদ্ধা জনাই প্ৰতি বছৰে ২৪ নৱেম্বৰৰ দিনটো ৰাজ্যজুৰি লাচিত দিৱস হিচাপে পালন কৰা হয়।

এই খবৰটো NewzNow-ত প্ৰথমে প্ৰকাশ হৈছিল। সম্পূৰ্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/5854/pm-narendra-modi-tributes-lachit-borphukan-divas